# তাকুৰ’ মোচিজুকি : ২০২২ বৰ্ষৰ ব্ৰেকথ্ৰু বঁটা বিজয়ী গণিতজ্ঞজন

**ড° চয়নিকা বৰুৱা**

সহকাৰী অধ্যাপিকা, গণিত বিভাগ, ইউনিভাৰ্চিটি অৱ ছায়েঞ্চ এণ্ড টেকন’লজি মেঘালয়



জাপানৰ গণিতজ্ঞ তাকুৰ’ মোচিজুকি (Takurō Mochizuki) বৰ্তমান গণিত জগতৰ এটি জনপ্ৰিয় নাম। ২০২২ বৰ্ষৰ গণিতৰ ব্ৰেকথ্ৰু বঁটাৰে (Breakthrough Prize in Mathematics) এইজন গণিতজ্ঞক সন্মানিত কৰা হৈছে, *‘For monumental work leading to a breakthrough in our understanding of the theory of bundles with flat connections over algebraic varieties, including the case of irregular singularities.’*

যোৱা ছেপ্টেম্বৰ মাহৰ ৯ তাৰিখে ঘোষণা কৰা দশম ব্ৰেকথ্ৰু বঁটাসমূহ প্ৰদানৰ অনুষ্ঠানটি ক’ভিড অতিমাৰীৰ কাৰণে ২০২২ বৰ্ষলৈ স্থগিত ৰখা হৈছে। উল্লেখযোগ্য যে মৌলিক পদাৰ্থবিজ্ঞান, জীৱবিজ্ঞান, আৰু গণিতৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা যুগান্তকাৰী আৱিষ্কাৰৰ স্বীকৃতি দিয়া হয় এই বঁটাৰ দ্বাৰা।

মোচিজুকি বৰ্তমান জাপানৰ বিখ্যাত কিয়’ট’ বিশ্ববিদ্যালয়ত গণিত-বিজ্ঞানৰ অধ্যাপক হিচাপে কৰ্মৰত। জটিল অৱকল জ্যামিতি (Complex differential geometry), বীজগণিতীয় জ্যামিতি (Algebraic geometry), আৰু বীজগণিতীয় বিশ্লেষণ (Algebraic analysis) হৈছে তেওঁৰ গৱেষণাৰ মুখ্য বিষয়। বীজগণিতীয় জ্যামিতি আৰু অৱকল জ্যামিতিৰ মাজত যোগসূত্ৰ স্থাপন তেওঁৰ গৱেষণাৰ অন্য এটি বিষয়।

মোচিজুকিয়ে ১৯৭২ চনৰ ২৮ আগষ্ট তাৰিখে জাপানত জন্মগ্ৰহণ কৰিছিল। কিয়’ট’ বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম সোনকালে এৰি তেওঁ একেখন বিশ্ববিদ্যালয়তে ১৯৯৪ চনত গণিতৰ গৱেষণাত যোগ দিয়ে। ১৯৯৯ চনত ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ পিছত মোচিজুকিয়ে ওচাকা চিটি বিশ্ববিদ্যালয়ত (Osaka City University) শিক্ষক হিচাপে যোগদান কৰে। পৰৱৰ্তী সময়ত ২০০৪ বৰ্ষৰ পৰা তেওঁ বৰ্তমানৰ কৰ্মভূমি কিয়’ট’ বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিবলৈ লয়।

২০১১ চনত মোচিজুকিক $D$-modules সম্পৰ্কীয় গৱেষণাৰ বাবে জাপান অকাদেমী বঁটাৰে (Japan Academy Prize) সন্মানীত কৰা হয়। ২০১৪ চনত অনুষ্ঠিত হোৱা গণিতজ্ঞসকলৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰো (ICM) এগৰাকী মুখ্য বক্তা আছিল এইজন গণিতজ্ঞ। গণিতৰ জগতখনত অনন্য গৱেষণাৰ কাৰণে তাকুৰ’ মোচিজুকি সদায় স্মৰণীয় হৈ ৰ’ব।